আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, FEBRUARY 15, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪৯ Guwahati, Assam ।। মূল্যঃ এটকা

## বিজ্ঞাপনত ৩ বছৰত ২০০ কোটি খৰচ হিমন্ত চৰকাৰৰ

ই-সংবাদ, গুৱাহাটী, ১৫ ফেব্ৰুৱাৰীঃ বিজ্ঞাপনৰ চমকত উজ্বলিছে অসমৰ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰ৷ ৰাজকোষৰ কোটি কোটি টকা বিজ্ঞাপনৰ নামত খৰছ কৰিছে ৰাজ্য চৰকাৰে৷ ঢাক-ঢোল বজাই ভোটাৰক আকৰ্ষিত কৰিবলৈ বিজ্ঞাপনৰ নামত তিনিটা কাৰ্যকালত ২০০ কোটি টকা চলাধ কৰিলে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে৷ ২০২১ বৰ্ষৰ পৰা যোৱা তিনিটা বছৰত হিমন্ত বিশ্ব শৰ্মা চৰকাৰে বিজ্ঞাপনৰ নামত ২০০ কোটি টকা খৰচ কৰিছে। ছপা সংবাদ পত্ৰ আৰু বৈদ্যুতিন সংবাদ মাধ্যমত প্ৰচাৰৰ নামত ২০২১-২২ বৰ্ষত ব্যয় কৰিছে ৫৯,৯৯,৯১,৫০০ টকা৷ ২০২২-২৩ বৰ্ষত ব্যয় ৭১,৯৯,৯৯,৪৯১ টকা আৰু ২০২৩-২৪ত বৰ্ষত বিজ্ঞাপন ব্যয় ৬৭,৪৯,৯৬,০৯৫ টকা। ৪ পৃষ্ঠাত চাওক

### উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ৰায়দান

# ইলেক্টৰেল বণ্ড অসাংবিধানিক

নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ উচ্চতম ন্যায়ালয়ত পুনৰ এবাৰ মেৰু পোনাই থিয় হ'ল ভাৰতৰ গণতন্ত্ৰ। বিগত আঠ বছৰ ধৰি চলি থকা এক বিতৰ্কৰ অৱসান ঘটাই অৱশেষত এক গুৰুত্বপূৰ্ণ ৰায়দান প্ৰদান কৰে উচ্চতম ন্যায়ালয়ে। বৃহস্পতিবাৰে উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ডৰ বৈধতা সন্দৰ্ভত ৰায়দান প্ৰদান কৰি ৰাজনৈতিক দলসমূহে লাভ কৰা নিৰ্বাচনী বণ্ডৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে। সমান্তৰালভাৱে ইয়াক শেষাংশ ২ পৃষ্ঠাত



■ কৃষকক ছত্ৰভংগ দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়াস অব্যাহত... বৃহস্পতিবাৰৰ দৃশ্য



মন্ত্ৰী অতুলৰ ভৰিত বল, কোনে খাব গল?

## ন্যায়ালয়ৰ ৰায়ক আদৰণি ৰাহুল গান্ধীৰ

নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ ৰাজনৈতিক দলে লাভ কৰা নিৰ্বাচনী বণ্ডক লৈ উচ্চতম ন্যায়ালয়ে আজি মোদী চৰকাৰক মোক্ষম আঘাত দি গুৰুত্বপূৰ্ণ ৰায়দান প্ৰদান কৰাৰ পিছতে নৰেন্দ্ৰ মোদী শেষাংশ ৪ পৃষ্ঠাত

### মধুস্মিতা-বন্দিতা

## উদ্ধাৰ হ'ল ২ ছাত্ৰী

ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ বুধবাৰে সৰস্বতী পূজালৈ ঘৰৰ পৰা ওলাই আহিল নিৰুদ্দেশ হৈ থকা দুই ছাত্ৰীক আজি সন্ধিয়া নলবাৰী জিলাৰ টিহুত উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষী। গুৱাহাটী আৰক্ষীয়ে বিশেষ অভিযান চলাই স্থানীয় আৰক্ষীৰ সহায়ত উদ্ধাৰ কৰিবলৈ সক্ষম হয় মধুস্মিতা বৈশ্য আৰু বন্দিতা ভৌমিকক। শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইলেক্টৰেল বণ্ড অসাংবিধানিক

অসাংবিধানিক বুলিও অভিহিত কৰে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ে এই গোচৰৰ ৰায়দান কৰি কয় যে নিৰ্বাচনী বণ্ডসমূহ বেনামী কৰি ৰখাৰ অৰ্থ হৈছে তথ্যৰ অধিকাৰ আৰু ১৯ (১) (ক) অনুচ্ছেদ উলংঘা। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে কয় যে ৰাজনৈতিক দলসমূহক প্ৰদান কৰা এনে ‘গোপন’ আৰ্থিক সাহায্যই অনিয়মৰ বাবে উৎসাহিত কৰিব পাৰে। ২০১৮ চনত ইলেক্টৰেল বণ্ড বা নিৰ্বাচনী বণ্ড আনি মোদী চৰকাৰে ইয়াৰ দ্বাৰা ক’লা ধন হ্ৰাস কৰাৰ যুক্তি আগবঢ়াইছিল। সেই সন্দৰ্ভত মুখ্য ন্যায়াধীশ চন্দ্ৰচুড়ে কয় যে নিৰ্বাচনী বণ্ড ক’লা ধন নিয়ন্ত্ৰণৰ একমাত্ৰ উপায় হ’ব নোৱাৰে। ক’লা ধন নিয়ন্ত্ৰণৰ বাবে আন বহুতো বিকল্প আছে। বৃহস্পতিবাৰে এই বিতৰ্কিত বিষয়ৰ ৰায়দান কৰি ৰাজনৈতিক দলসমূহে লাভ কৰা নিৰ্বাচনী বণ্ডৰ বিষয়ে তথ্য প্ৰদান কৰিবলৈ ভাৰতীয় ষ্টেট বেংকক নিৰ্দেশ দিয়ে ন্যায়াধীশ চন্দ্ৰচুড়ে। উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিছে যে এছ বি আইয়ে নিৰ্বাচন আয়োগক তথ্য প্ৰদান কৰিব আৰু এই তথ্য নিৰ্বাচন আয়োগে ৩১ মাৰ্চৰ ভিতৰত নিজৰ ৱেবছাইটত প্ৰকাশ কৰিব লাগিব। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে প্ৰদান কৰে এই গুৰুত্বপূৰ্ণ ৰায়।

বিচাৰপীঠত মুখ্য ন্যায়াধীশৰ লগতে আছিল ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ বি আৰ গভাই, ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰ। ইফালে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ এই সিদ্ধান্তৰ পিছতে আনন্দ ব্যক্ত কৰিছে কংগ্ৰেছ, তৃণমূল কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে। জ্যেষ্ঠ অধিবক্তা প্ৰশান্ত ভূষণে ন্যায়ালয়ৰ এই ৰায়ৰ প্ৰশংসা কৰি কয় যে এই সিদ্ধান্তই গণতান্ত্ৰিক প্ৰক্ৰিয়াক শক্তিশালী কৰি তুলিব। জ্যেষ্ঠ অধিবক্তা প্ৰশান্ত ভুষনে কয়, “নিৰ্বাচনী বণ্ডৰ গোচৰত উচ্চতম ন্যায়ালয়ে যি গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছে, তাৰ ফলত আমাৰ গণতন্ত্ৰত দীৰ্ঘম্যাদী প্ৰভাৱ পৰিব। বণ্ড আঁচনি নাকচ কৰিছে আদালতে। এই আঁচনিখনত কোনে কিমান টকাৰ বণ্ড কিনিছিল আৰু কাক দিছিল সেই কথা জানিব পৰা হোৱা নাছিল। উচ্চতম ন্যায়ালয়ে ইয়াক তথ্যৰ অধিকাৰ উলংঘা বুলি গণ্য কৰিছে। এই সন্দৰ্ভত যি সংশোধনী কৰা হৈছিল, যাৰ অধীনত যিকোনো কোম্পানীয়ে যিকোনো ৰাজনৈতিক দলক যিকোনো পৰিমাণৰ ধন দিব পাৰে, সেই সংশোধনীও আদালতে বাতিল কৰিছে।” প্ৰশান্ত ভূষণে কয় যে, আদালতে কয় যে এই নিৰ্বাচন গণতন্ত্ৰৰ বিৰোধী কাৰণ ইয়াৰ দ্বাৰা বৃহৎ কোম্পানীসমূহক সমতাপূৰ্ণ ৰণাঙ্গন শেষ কৰাৰ সুযোগ দিয়া হয়। উচ্চতম ন্যায়ালয়ে কয় যে এই আঁচনিৰ অধীনত যি ধন জমা হৈছে, ভাৰতীয় ষ্টেট বেংকে সেই ধন নিৰ্বাচন আয়োগক দিব লাগে আৰু ইয়াৰ তথ্য আয়োগে সাধাৰণ ৰাইজৰ বাবে উপলব্ধ কৰাব। স্বচ্ছতাৰ বাবে কাম কৰা সমাজ কৰ্মী অঞ্জিল ভৰদ্বাজে উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্তক ঐতিহাসিক বুলি অভিহিত কৰে। অঞ্জলি ভৰদ্বাজে কয়, “উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক সিদ্ধান্ত তথ্যৰ অধিকাৰৰ জয়। উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্তত নিৰ্বাচনী বণ্ডৰ জৰিয়তে অপ্ৰকাশিত সীমাহীন কৰ্পৰেট পুঁজি নিষিদ্ধ কৰা হৈছে। ২০১৯ চনৰ অন্তৰ্বৰ্তীকালীন আদেশৰ পিছত ক্ৰয় কৰা নিৰ্বাচনী বণ্ডৰ সবিশেষ ৰাজহুৱা কৰিবলৈ নিৰ্দেশ দিছে উচ্চতম ন্যায়ালয়ে।” ইলেক্টৰেল বণ্ডৰ বৈধতাক লৈ উচ্চতম ন্যায়ালয়ত দাখিল কৰা দুখনকৈ আবেদনৰ শুনানি সম্পন্ন কৰি ৰায়দানৰ সময়ত ন্যায়াধীশ চন্দ্ৰচুড়ে কয় যে আদালতে সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত প্ৰদান কৰিছে। তেওঁ কয় যে এই সন্দৰ্ভত তেওঁৰ এটা পৃথক মতামত আছিল আৰু ন্যায়াধীশ সঞ্জীৱ খান্নাৰ অন্য এটা মতামত আছিল যদিও সিদ্ধান্তত সকলোৱে সহমত পোষণ কৰে। নিৰ্বাচনী বণ্ডৰ বিৰুদ্ধে যিবোৰ আবেদন দাখিল কৰা হৈছিল, সেইবোৰত কোৱা হৈছিল যে ই তথ্যৰ অধিকাৰ উলংঘা কৰে। ইয়াৰ লগতে এইটোও কোৱা হৈছিল যে কৰ্পৰেট ফাণ্ডিং মুক্ত আৰু নিকা নিৰ্বাচনৰ বিৰোধী। নিৰ্বাচনী খৰচ আৰু স্বচ্ছতা নিৰীক্ষণ কৰা সংস্থা এছ’চিয়েশ্যন ফৰ ডেম’ক্ৰেটিক ৰিফৰ্মছৰ প্ৰতিবেদন অনুসৰি ২০২২-২৩ চনত বিজেপিয়ে ৯০ শতাংশ কৰ্পৰেট অনুদান লাভ কৰিছিল। একদৰে ২০২২-২৩ চনত ৰাষ্ট্ৰীয় দলসমূহে ৮৫০.৪৩৮ কোটি টকা অনুদান লাভ কৰাৰ কথা ঘোষণা কৰিছিল। ইয়াৰে বিজেপিয়েই কেৱল ৭১৯.৮৫ কোটি অনুদান লাভ কৰে আৰু কংগ্ৰেছে লাভ কৰে মাত্ৰ ৭৯.৯২ কোটি টকা। উল্লেখ্য যে, যোৱা আঠ বছৰতকৈও অধিক সময় উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছিল এই গোচৰ। এই গোচৰৰ শুনানি আৰম্ভ হোৱাৰ পূৰ্বে ভাৰতৰ এটৰ্নী জেনেৰেল আৰ ভেংকটাৰমণীয়ে এই আঁচনিখনক সমৰ্থন কৰি উচ্চতম ন্যায়ালয়ক জনাইছিল যে এই আঁচনিখনে ৰাজনৈতিক দলসমূহক দিয়া অনুদানত "স্বচ্ছ ধন"ৰ ব্যৱহাৰক প্ৰসাৰিত কৰে। লগতে এটৰ্নী জেনেৰেলে উচ্চতম আদালতৰ সন্মুখত যুক্তি দিছিল যে যুক্তিসংগত নিষেধাজ্ঞাৰ অধীন নোহোৱাকৈ নাগৰিকৰ একো আৰু সকলো কথা জনাৰ সাধাৰণ অধিকাৰ থাকিব নোৱাৰে। ভাৰত চৰকাৰে ২০১৭ চনত প্ৰথম ঘোষণা কৰিছিল এই নিৰ্বাচনী বণ্ড আঁচনি। ইয়াৰ পিছতে এই আঁচনিখন চৰকাৰে ২০১৮ চনৰ ২৯ জানুৱাৰীত আইনৰূপে ৰূপায়ণ কৰিবলৈ সক্ষম হয়। এই আঁচনিৰ অধীনত ভাৰতীয় ষ্টেট বেংকে বণ্ড জাৰি কৰি ৰাজনৈতিক দলসমূহক ধন যোগান ধৰিব পাৰে। উল্লেখ্য যে,কে ৱাই চি উপলব্ধ বেংক একাউণ্ট থকা যিকোনো লোকেই ষ্টেট বেংকৰ নিৰ্বাচিত শাখাৰ পৰা এই বণ্ড ক্ৰয় কৰি নিজৰ পচন্দৰ ৰাজনৈতিক দলক ধন অনুদান হিচাপে প্ৰদান কৰিব পাৰে। এই অনুদান প্ৰদান কৰাৰ সময়ত নিৰ্বাচনী বণ্ডত দাতাৰ নাম উল্লেখ নাথাকে বাবেই কোনে সেই ধন প্ৰদান কৰিছে সেয়া অজ্ঞাত হৈয়ে ৰৈ যায়। এই আঁচনিৰ অধীনত ভাৰতীয় ষ্টেট বেংকৰ নিৰ্দিষ্ট শাখাসমূহৰ পৰা এহাজাৰ, ১০ হাজাৰ , ১ লাখ, ১০ লাখ আৰু ১ কোটি টকাৰ ভিতৰত যিকোনো মূল্যৰ নিৰ্বাচনী বণ্ড ক্ৰয় কৰিব পাৰে যিকোনো লোকে। কিন্তু এই নিৰ্বাচনী বণ্ডৰ ম্যাদ হৈছে মাত্ৰ ১৫ দিনৰ। তথ্য অনুসৰি, লোকসভা বা বিধানসভাৰ বাবে বিগত সাধাৰণ নিৰ্বাচনৰ সময়ত প্ৰতিদ্বন্দ্বিতা কৰা কমেও এক শতাংশ ভোট লাভ কৰা ৰাজনৈতিক দলসমূহলৈহে নিৰ্বাচনী বণ্ডৰ জৰিয়তে অনুদান আগবঢ়াব পাৰে যিকোনো দাতাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উদ্ধাৰ হ'ল ২ ছাত্ৰী

দুই ছাত্ৰীক নাৰী সৰবৰাহকাৰী চক্ৰৰ কৱলত পৰাৰ সন্দেহ কৰিছে৷ বিশেষ ফোন নম্বৰ যোগে নাৰী সৰবৰাহকাৰী চক্ৰই যোগাযোগ কৰি প্ৰলোভন দিয়াৰ সন্দেহ কৰা হৈছে৷ প্ৰলোভন দি বহিঃৰাজ্যলৈ নিবৰ বাবে প্ৰয়াস কৰিছিল৷ উক্ত চক্ৰটোক জালত পেলাবলৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে৷ টিছুৰ পৰা উদ্ধাৰ কৰি আৰক্ষীয়ে উদ্ধাৰ কৰি গুৱাহাটীলৈ আনিব বুলি জানিব পৰা গৈছে৷ উল্লেখ্য যে, স্বৰস্বতী পূজাৰ দিনটোতে গুৱাহাটী মহানগৰীৰ পৰা মধুস্মিতা বৈশ্য আৰু বন্দিতা ভৌমিক নামৰ দুই ছাত্ৰী নিৰুদ্দেশ হয়৷ নুনমাটিৰ পঞ্চদীপ জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীত অধ্যয়নৰত আছিল দুই ছাত্ৰী৷ পৰিয়ালে নুনমাটি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল৷ পৰিয়ালৰ লোকক হোৱাটছএপত মেছেজ দিয়াৰ কথা পোহৰলৈ আহিছিল৷ তেওঁলোকে নিজ ইচ্ছা মতে, ঘৰৰ পৰা ওলাই যোৱাৰ লগতে ৫ বছৰৰ পাছত সফল হৈ ঘৰলৈ ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দিয়ে৷ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰি থকাৰ সময়তে হোৱাটছএপত মেছেজ দি মধুস্মিতা আৰু বন্দিতাই তেওঁলোকক বিচাৰি সময় নষ্ট নকৰিবলৈ আহ্বান জনায়৷ ৫ বছৰৰ মূৰকত সফল হৈ ঘৰলৈ আহিব বুলি দাবী কৰি মধুস্মিতা আৰু বন্দিতাই কয় 'চিন্তা কৰিব নালাগে৷ আমি ভালে ভালে আছো। আমি নিজ ইচ্ছামতে ঘৰৰ পৰা ওলাই আহিছো৷ ঘৰৰ পৰা বহুত অশান্তি পাইছিলো। ৫ বছৰ সকলোৱে অপেক্ষা কৰক, কিয়নো আমি এতিয়া ঘৰত ঘূৰি যোৱাৰ কথা ভবা নাই৷ আমি ঘৰৰ পৰা ওলাই অহাৰ কাৰণে কোনো মানুহৰ একো হাত নাই৷ গতিকে টেনচন যাতে কোনেও নলয়। নিউজত যাতে আমাৰ ফটো ভাইৰেল নকৰে। আমাক ফোন ট্ৰেকিং কৰিও একো লাভ নহ'ব৷ কিয়নো আমি ইণ্টাৰনেট জগতৰ লগতে সামাজিত মাধ্যমৰ পৰা আমি সম্পূৰ্ণ দূৰত আছো৷ গতিকে আৰক্ষী আৰু মিডিয়াই আমাক কোনো পধ্যেই বিচাৰি পোৱাটো সম্ভৱ নহয়৷ ফটো ভাইৰেল কৰিও একো লাভ নাই। গতিকে আমি ৫ বছৰত চাকচেছ হৈ একেলগে গৈ আছো৷ আকৌ এবাৰ অনুগ্ৰহ কৰিছো যাতে বন্দিতা আৰু মধুস্মিকতাক বিচাৰি কোনেও সময় নষ্ট নকৰে৷' এই মেছেজ লাভ কৰাৰ পাছতে দুয়ো ছাত্ৰীৰ পৰিয়াল চিন্তিত হয়৷ কম বয়সতে ইমান ডাঙৰ সিদ্ধান্ত ল'ব পৰাৰ সাহস হোৱা নাই বুলি সন্দেহ কৰি এই কাৰ্যৰ পাছত কোনো দুৰ্বৃত্ত জড়িত থকাৰ সন্দেহ কৰিছে পৰিয়ালে৷ ১৪ ফেব্ৰুৱাৰীত ভেলেণ্টাইন ডে' আৰু স্বৰস্বতী পূজাৰ দিনটোতে দুয়ো ছাত্ৰী ঘৰৰ পৰা নুনমাটিৰ বিদ্যালয়লৈ আহে৷ লগত আছিল ভাতৃ৷ কিন্তু দুপৰীয়া দুয়ো ছাত্ৰীয়ে নুনমাটিৰ পৰা দীঘলীপুখুৰীপাৰৰ পিনে ফুৰিব আহিম বুলি কৈ ভাতৃক এৰি টেম্পত উঠে৷ টেম্পত উঠি যোৱাৰ পাছৰে পৰা দুয়ো ছাত্ৰী ঘৰলৈ উভতি অহা নাই৷ নিশা ১১ বজালৈ ঘৰলৈ উভতি নহাত পৰিয়াল চিন্তিত হয়৷ পৰিয়ালে নিশা নুনমাটি আৰক্ষী থানাত নিৰুদ্দেশ সন্দৰ্ভত এজাহাৰ দাখিল কৰে৷ জানিব পৰা মতে, নিশা এগৰাকী ছাত্ৰীৰ পিতৃলৈ অচিনাক্ত লোকে ফোন কৰিছিল৷ এজন নতুন সন্দেহজনক লোক জড়িত বুলিও সন্দেহ কৰিছে আৰক্ষীয়ে৷ নিৰুদ্দিষ্ট মধুস্মিতা বৈশ্য আৰু বন্দিতা ভৌমিকৰ নিশালৈ মোবাইল এক্টিভ হৈ আছিল। হোৱাটছএপো এক্টিভ আছিল। কিন্তু ১১ বাজি ৩০ মিনিট মানৰ পৰা মোবাইল অফ হয়৷ উল্লেখ্য যে, টিছুৰ পৰা ছাত্ৰীদুগৰাকীক উদ্ধাৰ কৰিবলৈ সমৰ্থ হলেও এতিয়াও ঘটনাটোৰ আঁৰৰ ৰহস্য পোহৰলৈ অহা নাই। ঘটনাৰ সৈতে কোন জড়িত আছে, আঁৰৰ ৰহস্য কি সেয়া তদন্তৰ অন্ততহে জানিব পৰা যাব।

# মণিপুৰৰ পৰা অসাম ৰাইফলছক আতৰোৱাৰ দাবীত ইম্ফলত মানৱ শৃংখল

ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ মণিপুৰৰ পৰা অসাম ৰাইফলছক আতৰোৱাৰ দাবী উত্থাপন কৰি আজি মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰে কেইবাটাও জনজাতীয় সংগঠনে৷ পিপল এলায়েন্স ফৰ পিচ এণ্ড প্ৰগ্ৰেছৰ বেনাৰত ৰাজ্যখনত শান্তি বাহাল কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি মণিপুৰৰ ইম্ফলত কেইবা শ নাগৰিকে মানৱ শৃংখলা কাৰ্যসূচী ৰূপায়ন কৰে নাগৰিকসকলে৷ হাতে হাতে প্লে-কাৰ্ড লৈ ড্ৰাগছ মাফিয়াক নিয়ন্ত্ৰণ কৰা, সন্ত্ৰাসবাদীক দমন কৰা, মণিপুৰত শান্তি বিচাৰো আদি শ্লʼগান দিয়া দেখা যায়। অসাম ৰাইফলছকো আঁতৰাবলৈ শ্ল'গান দিয়া দেখা যায়৷ পিপল এলায়েন্স ফৰ পিচ এণ্ড প্ৰগ্ৰেছৰ সভাপতি মায়াংগ্লাম্বাম ববি সিঙে কয় যে বিভিন্ন ঠাইত হিংসা অব্যাহত৷ ৰাজ্যখন ৯ মাহ ধৰি সংকটত। শান্তি বাহাল কৰিবলৈ কোনো পদক্ষেপ লোৱা হোৱা নাই৷ দুৰ্বৃত্তই মেইটেই সম্প্ৰদায়ৰ লোকক আক্ৰমণ কৰি আহিছে৷ সন্ত্ৰাসবাদীৰ এই আক্ৰমণক ভাৰতক আক্ৰমণ কৰাৰ দৰেই৷ আন্দোলকাৰীয়ে হিংসাত বহু লোকৰ প্ৰাণ হেৰুওৱাৰ লগতে গৃহহীন হোৱাত ক্ষোভ জাহিৰ কৰি ভৱিষ্যত প্ৰজন্মৰ সুৰক্ষাৰ বাবে ভাৰত চৰকাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলিও কয়৷ অসাম ৰাইফলছে পক্ষপাতিত্বমূলক আচৰণ কৰাৰ অভিযোগ উত্থাপন কৰি এয়া অতি দুৰ্ভাগ্যজনক আৰু অসাম ৰাইফলছক আঁতৰাবলৈ দাবী জনায়৷ ৰাজ্যখনৰ সংকটৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শব্দও উচ্চাৰণ নকৰা কাৰ্যক তীব্ৰ গৰিহণা দিয়ে আন্দোলনকাৰীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজ্ঞাপনত

চলিত বিধানসভাত এই তথ্য দাখিল কৰিছে জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই। ইয়াৰ লগতে আন আন বিজ্ঞাপনৰ নমাতো কোটি কোটি টকা খৰছ কৰিছে ৰাজ্য চৰকাৰখনে৷ এইখন চৰকাৰে বিজ্ঞাপনৰ নামত খৰছ কৰা ধনে অভিলেখ সৃষ্টি কৰিছে৷ কিয়নো তৰুণ গগৈ চৰকাৰৰ দিনত ইমান টকা বিজ্ঞাপনৰ নামত খৰছ কৰা হোৱা নাছিল৷ আনহে নালাগে, ইয়াৰ আগৰ বিজেপিৰ সৰ্বানন্দ সোণোৱালৰ চৰকাৰে বিজ্ঞাপনৰ নামত ৫ বছৰত ১২৫ কোটি ৬০ লাখ টকা ব্যয় কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ন্যায়ালয়ৰ ৰায়ক আদৰণি

নেতৃত্বাধীন বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধী। সৰ্বোচ্চ ন্যায়ালয়ে এই নিৰ্বাচনী বণ্ডক অসাংবিধানিক বুলি অভিহিত কৰাৰ পিছতে ৰাহুল গান্ধীয়ে মোদীক লক্ষ্য কৰি কয়- প্ৰধানমন্ত্ৰীৰ দুৰ্নীতিৰ আন এক প্ৰমাণ পোহৰলৈ আহিছে। নিজৰ এক্স হেণ্ডেলৰ জৰিয়তে ৰাহুল গান্ধীয়ে কয় যে উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ দ্বাৰা নিৰ্বাচনী বণ্ডৰ দুৰ্নীতি প্ৰমাণিত হৈছে। বিজেপিয়ে নিৰ্বাচনী বণ্ডক উৎকোচ আৰু কমিচনলৈ ৰূপান্তৰ কৰা বুলিও অভিযোগ কৰে ৰাহুল গান্ধীয়ে। ইয়াৰ সমান্তৰালভাৱে কংগ্ৰেছে ইয়াৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ ওলাইছে বুলিও ইংগিত দিয়ে। উল্লেখ্য যে, নিৰ্বাচনী বণ্ডৰ জৰিয়তে ৰাজনৈতিক দলসমূহক অনুদানৰ সৈতে জড়িত এক গোচৰত বৃহস্পতিবাৰে উচ্চতম ন্যায়ালয়ে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰৰ বণ্ড ব্যৱস্থাই সংবিধানৰ ১৯নং অনুচ্ছেদ মানি চলা নাই। উচ্চতম ন্যায়ালয়ে ৰায়দান কৰি নিৰ্বাচনী বণ্ডৰ জৰিয়তে ৰাজনৈতিক দলসমূহে লাভ কৰা ধনৰ সবিশেষ ৰাজহুৱা কৰিবলৈ নিৰ্বাচন আয়োগক নিৰ্দেশ দিয়ে।



# সীমান্তৱৰ্তী শ্যাম গাঁৱৰ চাংঘৰত নৈশ যাপন মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী এলেকাত এটা নিশা কটালে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই৷ বিজেপিৰ গাঁও চলো অভিযানক সাকাৰ ৰূপ দিবলৈ মুখ্যমন্ত্ৰীয়ে এটা দিন গ্ৰাম্য এলেকাত কটোৱাৰ ঠিৰাং কৰি অসম-অৰুণাচল সীমান্তৰ সৰুপথাৰ সমষ্টিৰ ১নং ৰজাপুখুৰী শ্যাম গাঁৱত নিশা কটায়৷ ১৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া শ্যাম গাঁৱত উপস্থিত হৈছিল মুখ্যমন্ত্ৰী৷ গাঁওখনৰ ভাস্কৰ শ্যাম গোহাঁইৰ বাসগৃহত নিশা ১০গৰাকী বিশিষ্ট লোকৰ সৈতে জনজাতীয় খাদ্য খৰিকাত দিয়া মাংস, বইল মাছ, বনশাক, টোপোলা ভাতেৰে নিশাৰ আহাৰ গ্ৰহণ কৰে মুখ্যমন্ত্ৰীয়ে। পথৰ দাঁতিৰ মহিলাৰ চাহ দোকানত থিয় হৈ চাহ খায়৷ বৌদ্ধ বিহাৰত প্ৰাৰ্থনা কৰি আকাশবন্তি উৰুৱাই। গাঁওখনৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ পৰিদৰ্শন কৰে৷ শ্যামসকলৰ চাংঘৰত নৈশ যাপন কৰে মুখ্যমন্ত্ৰীয়ে। পুৱা শোৱাপাটি ত্যাগ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰাতভ্ৰমণ কৰে৷ গাঁওখনৰ ১০ মহিলাৰ সৈতে পুৱাৰ চাহ-জলপান গ্ৰহণ কৰি অংচা জিলদৈ শ্যাম হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰে। শ্যাম এলেকা হৈছে জনজাতি অধ্যুষিত এলেকা৷ মুখ্যমন্ত্ৰীয়ে যোৰহাটৰ মহাবীৰ লাচিত বৰফুকনৰ নিৰ্মিত আৱক্ষ মূৰ্তি দৰ্শন কৰে৷ যোৰহাটৰ লাহদৈগড়ৰ লাচিত মৈদাম স্মাৰক তথা সাংস্কৃতিক পৰিসৰ পৰিদৰ্শন কৰে৷ মুখ্যমন্ত্ৰীয়ে শ্যাম গাঁও এবাৰ পূৰ্বে ভাস্কৰ শ্যাম গোহাঁইৰ বাসগৃহ চৌহদত স্মৃতিৰ চিন হিচাপে জামু গছৰ পুলি ৰোপণ কৰে।

# নিৰ্বাচনী বণ্ড অবৈধ ঘোষণা কৰা সিদ্ধান্তক ঐতিহাসিক আখ্যা চিপিআইএমৰ

**ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ** নিৰ্বাচনী বণ্ড আঁচনিক অসাংবিধানিক বুলি অভিহিত কৰি দেশৰ শীৰ্ষ আদালতে দিয়া ৰায়ক এক ঐতিহাসিক ৰায় আখ্যা দিছে চিপিআইএমে৷ উচ্চতম ন্যায়ালয়ে যি ৰায় প্ৰদান কৰিছে এই ৰায়ক চিপিআইএমৰ পলিট বুৰোৱে ঐতিহাসিক আখ্যা দি আদৰণি জনাইছে। এই ৰায়ৰ দ্বাৰা সন্দেহজনক আঁচনিৰ অধীনত অজ্ঞাত কৰ্পৰেট দাঁতাৰ যোগেদি শাসক দলক ধনৰ যোগান ধৰা ব্যৱস্থাক সম্পূৰ্ণৰূপে বাতিল কৰা হ'ল। চিপিআইএমে আৰম্ভণিতেই ঘোষণা কৰিছিল যে এই দলে নিৰ্বাচনী বণ্ড গ্ৰহণ নকৰে কাৰণ ইয়াৰ দ্বাৰা দুৰ্নীতিক আইনী বৈধতা প্ৰদান কৰা হয়। চিপিআইএমে এই ব্যৱস্থাক উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাই আবেদন কৰিছিল। আন বহুতেও তেনে আবেদন কৰিছিল। এইটো অত্যন্ত সন্তোষৰ কথা যে এই আঁচনিৰ বিপক্ষে উক্ত আবেদনত উল্লেখিত মূল মূল আপত্তিজনক বিষয়বোৰ উচ্চতম ন্যায়ালয়ে মানি লৈছে। এতিয়া প্ৰয়োজনীয় কাম হৈছে নিৰ্বাচনী পুঁজিৰ ব্যৱস্থা আৰু ৰাজনৈতিক ব্যৱস্থাত এনেকুৱা সংস্কাৰ সাধন কৰা হয়৷ যাতে স্বচ্ছতা ৰক্ষিত হয় আৰু নিকা পদ্ধতিৰে পুজিৰ যোগান নিশ্চিত হোৱাৰ লগতে যাতে খেলপথাৰখন সকলো ৰাজনৈতিক দলৰ বাবে সমতাপূৰ্ণ হয়।

## হিমন্ত বিশ্ব শৰ্মাক গামোচা পিন্ধালে গোলাঘাট কংগ্ৰেছৰ সভাপতিয়ে



**ই-সংবাদ, খুমটাই, ১৫ ফেব্ৰুৱাৰীঃ** কংগ্ৰেছৰ দুই বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ আৰু বসন্ত দাসে বিজেপি চৰকাৰক সমৰ্থনৰ ঘোষণা কৰাৰ পাছতে কংগ্ৰেছৰ বাবে অহা আন এক অনাকাংক্ষিত খবৰে চৰ্চা লাভ কৰিছে৷ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলা ভ্ৰমণৰ সময়ত গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি দাদু টাইডে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে৷ সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ উপস্থিতিত মুখ্যমন্ত্ৰীক মিচিং গামোচা পিন্ধাই টাইডে৷ গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি দাদু টাইডে বিজেপিত যোগদান কৰিব বুলি চৰ্চা হয়। বৃহস্পতিবাৰে মুখ্যমন্ত্ৰীয়ে দলীয় 'গাঁও চলো' কাৰ্যসূচীৰ অধীনত সৰুপথাৰত থকাৰ সময়তে দাদু টাইডে সাক্ষাৎ কৰাৰ ফটো ভাইৰেল হয়। এই ফটো ৰাজহুৱা হোৱাৰ পাছতে গোলাঘাট জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ ইপিনে মেৰাপানীত সাংসদ গৌৰৱ গগৈৰ সৈতে সাংসদ পুঁজিৰ কেইবাটাও আধাৰশিলা স্থাপন কাৰ্যসূচীত দেখা যায় জিলা সভাপতি দাদু টাইডক। মুখ্যমন্ত্ৰীৰে হোৱা সাক্ষাৎ একপ্ৰকাৰ ব্যক্তিগত বুলি অৱগত কৰে যদিও দাদু টাইডে বিজেপি দলত যোগদান কৰাটো একপ্ৰকাৰ নিশ্চিত বুলি কলেও বঢ়াই কোৱা নহ'ব৷

## হিতেশ দেৱ শৰ্মাৰ বিৰুদ্ধে সমুজ্জ্বলে তৰিলে গোচৰ

**ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ** অৱশেষত আদালতৰ কাষ চাপিল আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য৷ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক হিতেশ দেৱ শৰ্মাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই৷ ডঃ ভট্টাচাৰ্যই শৰ্মাৰ বিৰুদ্ধে ১০০ কোটি টকাৰ মানহানি গোচৰ ৰুজু কৰিছে৷ আজি কামৰূপ মহানগৰৰ দেৱানী আদালতত হাজিৰ হৈ ডঃ ভট্টাচাৰ্যই গোচৰ ৰুজু কৰে৷ হিতেশ দেৱ শৰ্মা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ৰাজ্যিক সমন্বয়ক পদৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতে ডঃ সমুজ্জ্বল কুমাৰ ভট্টচাৰ্যৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে৷ হিতেশ দেৱ শৰ্মাই ফেচবুকত এটা পোষ্ট দি লাখ লাখ টকা লোৱাৰ দাবী কৰিছিল৷ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাৰ পৰা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই মাহিলী ১৬ লাখ টকা লোৱাৰ অভিযোগ উত্থাপন কৰিছিল হিতেশ দেৱ শৰ্মাই। ইমানে নহয় ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য এনআৰচিত জালিয়াতি কৰাত সহায় কৰিছিল৷ হিতেশ দেৱ শৰ্মাৰ এই অভিযোগৰ পাছতে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল৷ সেই সময়ত ভট্টাচাৰ্যই এই দাবী নস্যাৎ কৰিছিল৷

## শেষ পৃষ্ঠা

# ভাৰত শক্তিশালী স্থিতিত

**ৰাজকোট, ১৫ ফেব্ৰুৱাৰীঃ** অধিনায়ক ৰোহিত শৰ্মা আৰু ৰবীন্দ্ৰ জাদেজাৰ শতৰান আৰু অভিষেককাৰী সৰফৰাজ খানৰ অৰ্ধ শতৰানৰ সহায়ত ইংলেণ্ডৰ বিৰুদ্ধে তৃতীয় টেষ্টৰ প্ৰথম দিনাই শক্তিশালী স্থিতিত উপনিত হৈছে টিম ইণ্ডিয়া। ভাৰতে প্ৰথম ইনিংছত ৮৬ অভাৰত পাঁচ উইকেট হেৰুৱাই সংগ্ৰহ কৰে ৩২৬ ৰান। ৰাজকোটৰ সৌৰাষ্ট্ৰ ক্ৰকেট এচোছিয়েশ্যনৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেছখনৰ টছত জয়ীহৈ প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় ভাৰতীয় অধিনাকে। ৰোহিতৰ সিদ্ধান্ত ভুল প্ৰমাণিত কৰি মাত্ৰ ৩৩ ৰানতে ঘৰুৱা দলটোৱে তিনিটা উইকেট হেৰুৱায়। ইয়াৰ পিছত ৰোহিতৰ লগ লাগে লোকেল বয় জাদেজা। দুয়ো চতুৰ্থ উইকেটত ২০৪ ৰান যোগ কৰে। ৰোহিতৰ বেটৰ পৰা আহে ১৩১ ৰান। ইফালে ১১০ ৰান কৰি বেট ধৰি আছে জাদেজাই। তেওঁৰ লগত এক ৰান কৰি ক্ৰিজত আছে কুলদীপ যাদব। আজি সৰফৰাজ খান আৰু উইকেট ৰক্ষক ধ্ৰুৱ জোৰেল টেষ্ট অভিষেক ঘটে। অভিষেক ইনিংছত বিধ্বংসী সৰফৰাজে ৪৮ টা বলত অৰ্ধ শতৰান কৰে। ভাৰতৰ হৈ অভিষেক টেষ্টত দ্ৰুত অৰ্ধ শতৰান কৰাৰ ক্ষেত্ৰত তেওঁ যুৱৰাজ সিঙৰ (৪২ বল) পিছতে স্থান লাভ কৰে। অৱশ্যে হাৰ্দিক পাণ্ডিয়াও ৪৮ বলতে অভিষেক টেষ্টত ৫০ ৰানৰ সীমা অতিক্ৰম কৰিছিল। চৰফৰাজ ৬২ ৰানত দুৰ্ভাগ্যজনকভাৱে ৰান আউট হয়। ইংলেণ্ডৰ হৈ মাৰ্ক উডে তিনিটা উইকেট দখল কৰে।

# নাগাল কোৱাৰ্টাৰত

**বাংগালুৰু, ১৫ ফেব্ৰুৱাৰীঃ** বাংগালোৰ অপেন টেনিছ টুৰ্ণামেণ্টৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ এক নম্বৰ খেলুৱৈ সুমিত নাগাল। আজি অনুষ্ঠিত হোৱা দ্বিতীয় ৰাউণ্ডৰ খোলত তেওঁ হংকঙৰ চেক লাম চলেমান ৱঙক ৬-২, ৭-৫ ছেটত পৰাজিত কৰে।



ৰাজ্যসভা নিৰ্বাচনৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে.পি নাড্ডাৰ মনোনয়ন দাখিল

# এইবাৰ তৃণমূল কংগ্ৰেছৰ নিলম্বিত সাংসদ মহুৱালৈ ইডিৰ চমন

**নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ** এইবাৰ ইডিৰ চমন তৃণমূল কংগ্ৰেছৰ নিলম্বিত সাংসদ মহুৱা মৈত্ৰালৈ। সূত্ৰ অনুসৰি বৃহস্পতিবাৰে চমন জাৰি কৰি সোমবাৰে ইডিৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে মহুৱা মৈত্ৰাক। বৈদেশিক মুদ্ৰা নিয়ন্ত্ৰণ আইন উলংঘা কৰাৰ গোচৰত তৃণমূলৰ নিলম্বিত সাংসদগৰাকীক চমন জাৰি কৰা হৈছে বুলি প্ৰকাশ পাইছে বাতৰি। অৱশ্যে এই চমনৰ কথা খাৰিজ কৰি মৈত্ৰাই কয় যে তেওঁ কোনো ধৰণৰ চমন লাভ কৰা নাই। আনহাতে এনে কোনো অভিযোগ তেওঁৰ বিৰুদ্ধে উত্থাপন কৰাটো সম্ভৱ নহয় বুলি দাবী কৰি মৈত্ৰাই কয় যে ইডিলৈও অধিবক্তাৰ জৰিয়তে পত্ৰ প্ৰেৰণ কৰা হৈছে। প্ৰসংগক্ৰমে বৃহস্পতিবাৰে ইডিয়ে তৃণমূলৰ সাংসদ তথা অভিনেতা দেৱক মাতি আনিছিল। অহা বুধবাৰে তেওঁক দিল্লীস্থিত ইডিৰ মুখ্য কাৰ্যালয়ত হাজিৰ হ'বলৈ কোৱা হৈছে। দেৱে ঘনিষ্ঠ মহলে সদৰী কৰা মতে, ইডিৰ এই চমনৰ প্ৰতি সঁহাৰি জনাই নিৰ্ধাৰিত দিনটোত তেওঁ কাৰ্যালয়ত উপস্থিত থাকিব। অৱশ্যে মহুৱা মৈত্ৰাই এই চমনৰ সঁহাৰি জনাব নে নাই সেয়া এতিয়াও স্পষ্ট কৰা নাই। উল্লেখ্য যে, যোৱা ডিচেম্বৰ মাহত লোকসভাৰ সাংসদ পদৰ পৰা বহিষ্কাৰ কৰা হৈছিল মহুৱাক। ধনৰ বিনিময়ত সংসদত প্ৰশ্ন সোধাৰ গোচৰত লোকসভাৰ এথিক্স কমিটীয়ে মহুৱাক বহিষ্কাৰ কৰাৰ পৰামৰ্শ দিছিল। তেওঁলোকে ৪৯৫ পৃষ্ঠাৰ প্ৰতিবেদন দাখিল কৰিছিল। এথিক্স কমিটীৰ এই বিশাল প্ৰতিবেদন পঢ়িবলৈ তৃণমূল কংগ্ৰেছ আৰু অন্য বিৰোধী দলে সময় বিচাৰে যদিও অধ্যক্ষই সময় দিবলৈ অস্বীকাৰ কৰে আৰু তৃণমূলৰ সাংসদগৰাকীক নিলম্বন কৰে। বহিষ্কাৰৰ পিছত মহুৱাই আগন্তুক ৩০ বছৰলৈ লোকসভাৰ ভিতৰে-বাহিৰে যুঁজ অব্যাহত ৰাখিব বুলি মন্তব্য কৰে। আনহাতে এই বহিষ্কাৰক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়তো আবেদন দাখিল কৰিছে মহুৱাই।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান